অসম

অসম সচিবালয়ৰ মহিলা কর্মচাৰীয়ে পিন্ধিব নোৱাৰিব জিন্স, টি-শ্বার্ট

অসম বিধানসভা সচিবালয়ৰ কর্মচাৰীসকলৰ বাবে কঠোৰ পোছাক বিধি নির্ধাৰণ কৰি জিন্স, টি-শ্বার্ট আৰু লেগিংছ পৰিধানত নিষেধাজ্ঞা আৰোপ কৰা হৈছে।

প্রকাশ: ২৭ নৱেম্বৰ ২০২৬, আবেলি ৪:৪২



Assam Assembly

অসম সচিবালয়ৰ মহিলা কর্মচাৰীয়ে পিন্ধিব নোৱাৰিব জিন্স, টি-শ্বার্ট, টিউনিক, লেগিংছ, ক্ৰ'কছ, ফ্লিপ-ফ্লপ, পার্টী ড্রেছ।পুৰুষ কর্মচাৰীয়েও পিন্ধিব নোৱাৰিব জিন্স, টি-শ্বার্ট। অসম চৰকাৰৰ সাধাৰণ প্রশাসন বিভাগৰ জাননী জাৰি।

অসম বিধানসভা সচিবালয়ৰ কর্মচাৰীসকলৰ বাবে এক কঠোৰ পোছাক বিধি নির্ধাৰণ কৰা হৈছে। কার্যালয়ৰ কর্মদিনসমূহত জিন্স, টি-শ্বার্ট আৰু লেগিংছ পৰিধান কৰাত সম্পূর্ণ নিষেধাজ্ঞা আৰোপ কৰিছে কর্তৃপক্ষই। কর্মক্ষেত্রত শৃংখলা আৰু আনুষ্ঠানিক পৰিৱেশ বজাই ৰখাৰ উদ্দেশ্যেই এই নির্দেশনা জাৰি কৰা হৈছে।



নতুন নির্দেশনা অনুসৰি, মহিলা কর্মচাৰীসকলে কার্যালয়লৈ আহোঁতে মেখেলা-চাদৰ, শাৰী অথবা ছালৱাৰ-কামিজৰ দৰে আনুষ্ঠানিক সাজ-পোছাক পৰিধান কৰিব লাগিব। জিন্স, টি-শ্বার্ট আৰু লেগিংছক অনানুষ্ঠানিক সাজ হিচাপে গণ্য কৰি এইবোৰ নিষিদ্ধ কৰা হৈছে।

একেদৰে পুৰুষ কর্মচাৰীসকলৰ বাবে আনুষ্ঠানিক চার্ট আৰু পেণ্ট পৰিধান কৰাটো বাধ্যতামূলক কৰা হৈছে। সকলো কর্মচাৰীয়ে কার্যালয়ৰ দিনসমূহত এই নীতি মানি চলিব লাগিব।

এই নির্দেশনাৰ আন এটা গুৰুত্বপূর্ণ দিশ হৈছে যে প্রতি বুধবাৰে কর্মচাৰীসকলে অসমৰ যিকোনো জনগোষ্ঠীৰ পৰম্পৰাগত সাজ-পোছাক পৰিধান কৰিব পাৰিব। ইয়াৰ উপৰি বিধানসভাৰ অধিৱেশন চলি থকা সময়ত আৰু আন বিশেষ আনুষ্ঠানিক অনুষ্ঠানত সচিবালয়ে নির্ধাৰণ কৰি দিয়া নির্দিষ্ট ইউনিফর্ম পৰিধান কৰাটো বাধ্যতামূলক কৰা হৈছে।

এই পোছাক বিধি কেৱল স্থায়ী কর্মচাৰীৰ বাবেই নহয়, বৰঞ্চ দৈনিক মজুৰি, নির্ধাৰিত বেতন আৰু মাহেকীয়া সন্মানীৰ ভিত্তিত কর্মৰত সকলো শ্রেণীৰ কর্মচাৰীৰ ক্ষেত্রতো প্রযোজ্য হ'ব। জাননীত উল্লেখ কৰা অনুসৰি, এই নির্দেশনা উলংঘা কৰা কর্মচাৰীৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্রহণ কৰা হ'ব।

এই খবৰটো NewzNow-ত প্রথমে প্রকাশ হৈছিল। সম্পূর্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/6959/assam-assembly-secretariat-dress-code-jeans-tshirt-banned